# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-SEP-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১।  জনতাৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠন কৰা এছ্ আই টিত কিঞ্চিত সাল-সলনি।
২।  জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ সময়ত সংগ্ৰহ কৰা ভিছেৰা নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেণচিক গৱেষণাগাৰলৈ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।
৩।  বি টি চি নিৰ্বাচনৰ কাইলৈ ভোটগণনাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ।
৪।  অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত সৃষ্টি হোৱা শোকাকুল পৰিৱেশৰ মাজতে আধ্যাত্মিকতাৰ মাজত দেৱী দুৰ্গাৰ আৰাধনাৰ প্ৰস্তুতি।    ***আৰু***
৫।  পুৰুষৰ টি-২০ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতৰ প্ৰৱেশ।

০০০০০০

আদৰৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে গঠন কৰা বিশেষ অনুসন্ধানকাৰী গোট চমুকৈ এছ্ আই টিৰ কিছু সালসলনি কৰা হৈছে। দহজনীয়া এছ্ আই টিৰ পৰা পৰিমিতা সৰকাৰৰ নাম আঁতৰোৱা হৈছে। কালি এছ্ আই টি গঠনৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কয়, যে অসম আৰক্ষীয়ে কণ্ঠশিল্পীগৰাকীৰ মৃত্যুৰ তদন্তৰ কাম ত্বৰান্বিত গতিৰে কৰি আছে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কালি সন্ধিয়া অসম আৰক্ষীৰ শীৰ্ষ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ ১০ জনীয়া বিশেষ অনুসন্ধানকাৰী গোট গঠন কৰে। এই গোটৰ নেতৃত্বত এম পি গুপ্তা আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। শিল্পীগৰাকীৰ মৃত্যুৰ সৈতে জড়িত কোনো লোককে ৰেহাই দিয়া নহ'ব বুলিও মুখ্যমন্ত্ৰী ডঃ শৰ্মাই উল্লেখ কৰে। তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত সম্পন্ন হোৱা জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ সময়ত সংগ্ৰহ কৰা ভিছেৰা নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেণচিক গৱেষণাগাৰলৈ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হ'ব বুলি প্ৰকাশ কৰে। কেন্দ্ৰীয় বিদেশ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ উচিত তদন্তৰ দাবী কৰি এইদৰে কয় –

বাইট

শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ বাবে সদৌ অসম ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল-সংগঠন আৰু ব্যক্তিয়েও দাবী জনাইছে। তেওঁৰ শেষকৃত্যত মুখাগ্নি কৰা গীতিকাৰ, গায়ক ৰাহুল গৌতম শৰ্মাই জনপ্ৰিয় শিল্পীগৰাকীৰ সৈতে তেওঁৰ সম্পৰ্ক আৰু তদন্তৰ নিৰপেক্ষতা সন্দৰ্ভত এনেদৰে কয় –

বাইট

শিল্পীগৰাকীৰ আকস্মিক বিয়োগক সহজে মানি ল'ব নোৱৰা ৰাজ্যৰ জনসাধাৰণে বিভিন্ন ঠাইত তদন্ত বিচাৰি এজাহাৰ দাখিল কৰিছে আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই সন্দৰ্ভত কেইবাটাও গোচৰো ৰুজু হৈছে। ইয়াৰ লগতে ৰাজ্যজুৰি শিল্পীগৰাকীৰ শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীও অব্যাহত আছে। ছিপাঝাৰ, ইটাখোলা, জামুগুৰিহাট, বিশ্বনাথ, পুৰণি গুদাম, নলবাৰী, ৰহা, সৰ্থেবাৰী, যোৰহাট, তিনিচুকীয়া, লখিমপুৰ, **ডিব্ৰুগড়, উত্তৰ গুৱাহাটী, হোজাই**কে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতি সুৰীয়া শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাতৰি আমালৈ আহি আছে। তেওঁৰ সমাধিস্থলীত হাজাৰ হাজাৰ লোকে উজাগৰে থাকি তেওঁৰ গীত আওৰাই অহৰহ শ্ৰদ্ধা নিবেদন কৰিছে।

ইফালে, জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে নাম সাঙোৰ খোৱা নিজকে সাংস্কৃতিক কৰ্মী বুলি দাবী কৰা শ্যামকানু মহন্ত আৰু তেওঁৰ সৈতে জড়িত যিকোনো সংগঠন বা সংস্থাই ৰাজ্যখনৰ ভিতৰত কোনোধৰণৰ অনুষ্ঠান বা উৎসৱ অনুষ্ঠিত কৰাত চৰকাৰে নিষেধাজ্ঞা আৰোপ কৰিছে।

oooooo

বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগণনা কাইলৈ পুৱা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব। ৪০টা পৰিষদীয় সমষ্টিৰ বাবে হ'বলগীয়া এই ভোটগণনা প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে বিটিআৰৰ জিলাকেইখনৰ প্ৰশাসন সাজু হৈ উঠিছে। প্ৰশাসনে স্থাপন কৰা ষ্ট্ৰং ৰুমসমূহত বেলট বাকচসমূহ কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে। এই ভোটগণনাৰ জৰিয়তে ৩১৬ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। উল্লেখযোগ্য যে যোৱা ২২ ছেপ্তেম্বৰত বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগ্ৰহণত ৭৮ দশমিক ৪-২ শতাংশ লোকে ভোটদান কৰিছিল। ইয়াৰ ভিতৰত কোকৰাঝাৰ জিলাৰ ১২টা সমষ্টিত ৮২ দশমিক ২-৭ শতাংশ, ওদালগুৰি জিলাৰ ১০টা সমষ্টিত ৭৫ দশমিক ১-৭ শতাংশ, তামুলপুৰ জিলাৰ ৪টা সমষ্টিত ৭৫ দশমিক ০-৯ শতাংশ, বাক্সাৰ ৬টা সমষ্টিত ৭৬ দশমিক ৯-২ শতাংশ আৰু চিৰাং জিলাৰ ৭টা সমষ্টিত ৮০ দশমিক ১-১ শতাংশ লোকে ভোটৰ অধিকাৰ সাব্যস্ত কৰিছিল। ওদালগুৰি জিলাত এই ভোটগণনাৰ জৰিয়তে ৬৮ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব। জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত স্থাপন কৰা ষ্ট্ৰংৰুমত বেলট বাকচসমূহ নিৰাপত্তা বেষ্টনীৰ মাজত ৰখা হৈছে। জিলাখনত ভোটগণনাৰ প্ৰস্তুতি সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা নাৰায়ণ ডেকা–

**ভইচ**

oooooo

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাথো দুদিন বাকী আছে যদিও অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত শাৰদীয় পৰিৱেশো নিস্তেজ হৈ পৰিছে। প্ৰতি শৰতৰ প্ৰভাতী পুৱাক গীতেৰে সম্ভাষণ জনোৱা শিল্পীগৰাকীৰ আকস্মিক দেহাৱসানে সৃষ্টি কৰা শূন্যতাৰ পৰিৱেশৰ সৈতে এতিয়াও ৰাজ্যবাসী সহজ হৈ উঠা নাই। ইয়াৰ মাজতে পৰম্পৰাগত ৰীতি-নীতি মানি আধ্যাত্মিকতাৰে এইবাৰ শৰতত দেৱী দুৰ্গাক আৰাধনা কৰিবলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰস্তুতি চলিছে।

শাৰদীয় নৱৰাত্ৰিৰ কালি তৃতীয় দিনা দেৱীক চন্দ্ৰঘণ্টা ৰূপত পূজা অৰ্চনা কৰা হয়। আজি নৱৰাত্ৰিৰ চতুৰ্থ দিনা দেৱী দুৰ্গাক কুষ্মাণ্ডা ৰূপত পূজা কৰা হ'ব। দেৱীৰ এই ৰূপে সুস্বাস্থ্য, ইতিবাচক শক্তি আৰু প্ৰাণোচ্ছল জীৱনৰ বাবে প্ৰেৰণা দিয়ে বুলি বিশ্বাস কৰা হয়। অহা দেওবাৰে ষষ্ঠীৰ বেদীত দেৱী প্ৰতিষ্ঠা কৰা হ'ব। শক্তিপীঠ কামাখ্যা ধামকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ পূজা পৰম্পৰাগত ৰীতি নীতিৰে সম্পন্ন কৰা হৈছে। কামাখ্যা ধামত আড়ম্বৰ পৰিহাৰ কৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে এই পূজা কৰা হয়। বিশেষকৈ শক্তিপীঠত আয়োজিত কুমাৰী পূজাই বিশেষ তাৎপৰ্য্য বহন কৰে। নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰা শেষৰ দিনটোলৈকে প্ৰতিদিনে ইয়াত কুমাৰী পুজা কৰা হয়।

গোৱালপাৰাৰ ঐতিহাসিক টুক্ৰেশ্বৰী দেৱালয়ত মৃন্ময় মূৰ্তিবিহীন পূজাভাগৰ আয়োজন কৰা হৈছে। তাহানীৰ বিজনীৰ ৰজা কুমুদ নাৰায়ণৰ দিনৰ পৰাই এই ঐতিহাসিক দেৱালয়ত দেৱী দুৰ্গাৰ আৰাধনা কৰি অহা হৈছে। জিলাখনত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগত সৃষ্টি হোৱা বিষণ্ন পৰিৱেশৰ মাজতো শাৰদীয় দুৰ্গা পূজা পৰম্পৰাগতভাৱে উদযাপনৰ প্ৰস্তুতি চলিছে। জিলাখনৰ ১৪৩টা স্থানত এই পূজা অনুষ্ঠিত হ'ব। এই উপলক্ষে প্ৰশাসনে বিভিন্ন নীতি-নিৰ্দেশনা বান্ধি দিয়াৰ লগতে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। শোণিতপুৰ জিলাত শাৰদীয় দুৰ্গা পূজা সুকলমে আৰু শান্তিপূৰ্ণভাৱে উদযাপন কৰিবলৈ জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা লৈছে। ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে নিয়ন্ত্ৰণ কক্ষ আৰু আৰক্ষীৰ নম্বৰ মুকলি কৰিছে।

ইপিনে ৰাজ্য চৰকাৰে ৰাজ্যৰ ৭ হাজাৰ ৮১৭ খন দুৰ্গা পুজা সমিতিলৈ উৎসৱ উদযাপনৰ সহায় হোৱাকৈ ১০ হাজাৰ টকাকৈ আৰ্থিক অনুদান আগবঢ়াব। ইতিমধ্যে এই অনুদান বিতৰণৰ বাবে জিলা আয়ুক্তসকলক ধনৰাশি প্ৰদান

কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। কালি মন্ত্ৰী বিমল বৰাৰ উপস্থিতিত ৰাজ্যৰ মুখ্য সচিব ডাঃ ৰবী কোটাৰ অধ্যক্ষতাত জিলা আয়ুক্ত আৰু সমজিলা আয়ুক্তসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ধনৰাশি বিতৰণ সন্দৰ্ভত পৰামৰ্শ দিয়া হয়।

০০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্প কাইলৈৰ পৰা দৰ্শকৰ বাবে মুকলি কৰা হ'ব। দুৰ্গা পূজাৰ প্ৰতি লক্ষ্য ৰাখি কাইলৈ ৰাষ্ট্ৰীয় উদ্যানখনত বাগৰি, সংমণ্ডলৰ সীমিত পৰ্যটন পথহে দৰ্শনাৰ্থীৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অৱগত কৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ কেন্দ্ৰীয় বন সংমণ্ডল কঁহৰা অক্টোবৰৰ মাহৰ দ্বিতীয় সপ্তাহত আৰু হাতী চাফাৰী এক নৱেম্বৰৰ পৰা মুকলি হোৱাৰ সম্ভাৱনাৰ কথাও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ইফালে, ৰাজ্যৰ অন্য এখন বিশ্ব ঐতিহ্যক্ষেত্ৰ  মানাহ ৰাষ্ট্ৰীয় উদ্যান কালিৰেপৰা পুনৰ মুকলি কৰা হৈছে। এই উপলক্ষে কালি উদ্যানখনৰ বাঁহবাৰী সংমণ্ডলৰ প্ৰথম প্ৰৱেশদ্বাৰৰ পৰা মুখ্য প্ৰৱেশদ্বাৰলৈ এটা হস্তী সমদল উলিওৱা হয়। ইয়াৰ পাছতেই বি টি চিৰ বন বিভাগৰ সচিব সুমন মহাপাত্ৰই ৰাষ্ট্ৰীয় উদ্যানখন ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰে। কাৰ্যসূচীৰ আৰম্ভণিতে জনতাৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত এক মিনিট মৌনতা অৱলম্বন কৰা হয়।

০০০০০০

সেৱা সপ্তাহৰ অংশ হিচাপে যক্ষ্মা ৰোগ নিৰ্মূলকৰণ অভিযানৰ অংশ হিচাপে কালি ৰাজ্যৰ বিভিন্ন জিলাত নিক্ষয় শিবিৰৰ আয়োজন কৰা হয়। পশ্চিম কাৰ্বি আংলং জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত কালি জিলাখনৰ বৈথালাংছ' খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, বৰপক আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু ডংকামকাম খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এই শিবিৰৰ আয়োজন কৰা হয়। এই শিবিৰত যক্ষ্মা ৰোগী নাইবা তেওঁলোকৰ আত্মীয়ৰ মাজত নিক্ষয় সামগ্ৰী বিতৰণ কৰা হয়। এই সামগ্ৰীসমূহৰ ভিতৰত চাউল, ছয়াবিন, মিঠাতেল, দাইল আৰু অন্যান্য পুষ্টিকৰ খাদ্য আছে। সেৱা সপ্তাহৰ অংশ হিচাপে  জিলাখনৰ প্ৰতিটো বিধানসভা সমষ্টিত স্বাস্থ্য মেলাৰো আয়োজন কৰা হৈছে।

ধেমাজি জিলাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ যক্ষ্মা মুক্ত ভাৰত অভিযানৰ অধীনত কালি যক্ষ্মা ৰোগীসকলৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। চিলাপথাৰত আয়োজিত কাৰ্যসূচীত লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱাই খাদ্য সামগ্ৰী বিতৰণ কৰে। চিলাপথাৰ আদৰ্শ চিকিৎসালয়ত চিচিবৰগাঁও বিধানসভা সমষ্টিৰ ৰোগীসকলৰ মাজত এই খাদ্য সামগ্ৰী বিতৰণ কৰা হয়।

০০০০০০

সেৱা সপ্তাহৰ লগত সংগতি ৰাখি তিনিচুকীয়া জিলাত সমষ্টিভিত্তিক বৃহৎ স্বাস্থ্যমেলাৰ প্ৰথমটো শিবিৰ কালি ডুমডুমাৰ ৰূপাইত অনুষ্ঠিত হয়। ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত শিবিৰত শ্ৰম, চাহ শ্ৰমিক আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই অংশগ্ৰহণ কৰে। এই শিবিৰৰ দ্বাৰা জনসাধাৰণ বহু উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিটোৰ সাংসদ প্ৰদান বৰুৱাইও অংশগ্ৰহণ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নতুন ভাৰত নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। তেওঁ স্বদেশী সামগ্ৰী ব্যৱহাৰৰ বাবে জনসাধাৰণক আহ্বান জনায়। এই শিবিৰত ১৮ বছৰ অনুৰ্ধ্বৰ লোকৰ বাবে ৫৯ বিধ ৰোগৰ সকলো ধৰণৰ পৰীক্ষা-নিৰীক্ষা, বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ আৰু দৰৱ উপলব্ধ হ'ব।  আনহাতে, প্ৰয়োজন সাপেক্ষে উন্নত চিকিৎসাৰ বাবে আন হাস্পতাললৈ প্ৰেৰণ কৰাৰো ব্যৱস্থা কৰা হ'ব। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব। এই স্বাস্থ্য শিবিৰতেই বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ পৰীক্ষা কৰাৰ লগতে প্ৰমাণপত্ৰ প্ৰদানৰো ব্যৱস্থা কৰা হৈছে। এই শিবিৰত দুহেজাৰ ১৯৯ গৰাকী ৰোগীয়ে অংশগ্ৰহণ কৰে। ইয়াৰে ২৭১ গৰাকী উন্নত চিকিৎসাৰ বাবে আন হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

০০০০০০

ভাৰত পুৰুষৰ টি-২০ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছুপাৰ ফ'ৰ পৰ্যায়ৰ নিজৰ দ্বিতীয়খন খেলত ভাৰতে যোৱানিশা বাংলাদেশক ৪১ ৰাণত পৰাস্ত কৰে।

ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ লাভ কৰি ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত **১৬৮** ৰান সংগ্ৰহ কৰে। ভাৰতৰ অভিষেক শৰ্মাই ৩৭ টা বলত ৭৫ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত বাংলাদেশে ছৈফ হাছানৰ ৬৯ ৰানৰ বৰঙণিৰ পাছতো নিৰ্ধাৰিত **১৯** অ'ভাৰ আৰু ৩ টা বলত **১২৭** ৰাণতে আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ কুলদ্বীপ যাদৱে ৩টা আৰু বৰুণ চক্ৰৱৰ্তী আৰু জচপ্ৰিত বুমৰাহে দুটাকৈ উইকেট দখল কৰে। খেলখনত কৰা অনবদ্য প্ৰদৰ্শনৰ বাবে অভিষেক শৰ্মাক প্লেয়াৰ অৱ দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি ডুবাইত নিশা ৮ বজাত ছুপাৰ ফ'ৰ পৰ্যায়ৰ আন এখন খেলত বাংলাদেশ পাকিস্তানৰ মুখামুখি হ'ব। এই খেলখনৰ ফলাফলে প্ৰতিযোগিতাৰ ফাইনেলত উপনীত হ'বলগা দ্বিতীয়টো দল নিৰ্ধাৰণ কৰিব।

০০০০০০

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্ত কৰিবলৈ ৰাজ্য চৰকাৰে এটা বিশেষ তদন্তকাৰী দল- এছ্ আই টি গঠন কৰাৰ বাতৰিক অসমীয়া প্ৰতিদিন, আমাৰ অসম, নিয়মীয়া বাৰ্তা, দি আছাম ট্ৰিবিউন, দা ছেণ্টিনেল আদিৰ লগতে আন কাকতসমূহেও গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শিল্পীগৰাকীৰ মৃত্যু সন্দৰ্ভত নাম সাঙোৰ খোৱা ব্যৱসায়ী তথা নিজকে সাংস্কৃতিক কৰ্মী বুলি দাবী কৰা শ্যামকানু মহন্তৰ সকলো অনুষ্ঠান ৰাজ্যত নিষিদ্ধ কৰাৰ বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়বোৰ বাতৰি কাকতে ভিন ভিন বাতৰি মুখ্য বাতৰি প্ৰকাশ কৰিছে।

এই বাতৰিক অসমীয়া প্ৰতিদিন কাকতে শ্যামকানু মহন্তৰ সকলো অনুষ্ঠান ৰাজ্যত নিষিদ্ধ ঘোষণা, শিল্পী সমাজৰ গৰ্জন ঃ বিচাৰ লাগিবই, আমাৰ অসম কাকতে শ্যামকানু ব্লেকলিষ্টেড, নিয়মীয়া বাৰ্তা কাকতে অসমত নিষিদ্ধ শ্যামকানু মহন্ত উৎসৱ, অসমীয়া খবৰ কাকতে ফেষ্টিভেল মহন্তক ব্লেকলিষ্টেড, দৈনিক অসম কাকতে জাতীয় খলনায়ক শ্যামকানুক নিষিদ্ধ আদি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি প্ৰকাশ কৰিছে।

শিল্পী জুবিন গাৰ্গৰ নামত সোণাপুৰ আৰু যোৰহাটত দুটা সমাধিক্ষেত্ৰ স্থাপন কৰা হ'ব বুলি সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই উল্লেখ কৰাৰ বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শিল্পী সমাজে জুবিন গাৰ্গৰ মৃত্যুৰ অভিযুক্তসকলক অতি সোনকালে গ্ৰেপ্তাৰ কৰাৰ দাবী উত্থাপন কৰাৰ বাতৰিক দৈনিক অগ্ৰদূত কাকতে **২৪ ঘণ্টাৰ ভিতৰত দোষীক গ্ৰেপ্তাৰৰ দাবী** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে অহা ১৭ ফেব্ৰুৱাৰীৰ পৰা দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষা অনুষ্ঠিত হ'ব বুলি কৰা ঘোষণাৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় চৰকাৰে দেশৰ জাহাজ নিৰ্মাণ আৰু সামুদ্ৰিক খণ্ডক পুনৰ উজ্জীৱিত কৰিবলৈ ৬৯ হাজাৰ ৭২৫ কোটি টকাৰ পেকেজত অনুমোদন দিয়াৰ বাতৰিক দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

শোণিতপুৰৰ ঢেকীয়াজুলিত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সদৌ অসম নিৰ্মাণ শ্ৰমিক সংঘৰ সপ্তম ৰাজ্যিক সন্মিলনৰ কালি সামৰণি পৰে। পৰহিলৈৰ পৰা অনুষ্ঠিত এই সন্মিলনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ নিৰ্মাণ শ্ৰমিক সংঘৰ প্ৰতিনিধিয়ে অংশ লয়। এই কাৰ্যসূচীত নিৰ্মাণকাৰ্যত নিয়োজিত শ্ৰমিকৰ সুৰক্ষা, ন্যায্য অধিকাৰ, ন্যূনতম মজুৰি

নিশ্চিতকৰণকে ধৰি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ লগতে অহা ডিচেম্বৰত গুৱাহাটীত এটা শ্ৰমিক সমাৱেশ আয়োজন কৰাৰো সিদ্ধান্ত লোৱা হৈছে। এই সন্মিলনত পৰৱৰ্তী ৩ বছৰৰ বাবে সদৌ অসম নিৰ্মাণ শ্ৰমিক সংঘৰ ৫১ জনীয়া নতুন সমিতি গঠন কৰা হয়।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত নাগালেণ্ড আৰু মিজোৰামত মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইফালে, অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ,  ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত